# Regional News Unit

## All India Radio, Guwahati

## 0000000000

**Date :** 26-07-2024

**Time :** 0900 Hrs

## *Assamese Morning Bulletin*

## Headlines

১। ঐতিহাসিক চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে আজি স্বীকৃতি পোৱাৰ আশা প্ৰকাশ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ।

২। অহা ১৫ আগষ্টৰ ভিতৰত ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষক পদৰ নিযুক্তি সম্পূৰ্ণ কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ঘোষণা।

৩। সমগ্ৰ শিক্ষা, অসমৰ অধীনৰ প্ৰয়াত কৰ্মচাৰী আৰু ঠিকাভিত্তিক শিক্ষক-শিক্ষয়িত্ৰীৰ পৰিয়ালক ৫ লাখ টকাকৈ ৰাজ্য চৰকাৰৰ এককালীন আৰ্থিক সাহায্য প্ৰদান।

৪। ৰাজ্যসমূহে খনিজ সম্পদৰ ৰয়েল্টি নিৰ্ধাৰণৰ অধিকাৰ পাব বুলি উচ্চতম ন্যায়ালয়ৰ সাংবিধানিক বিচাৰপীঠৰ ৰায়দান। *আৰু*

৫। ২০২৪ বৰ্ষৰ পেৰিছ অলিম্পিক ক্ৰীড়া সমাৰোহ আজি আৰম্ভ। অসমৰ মহিলা বক্সাৰ লাভলিনা বৰগোহাঁইৰ আজি বিয়লি প্ৰথমখন খেল।

00000000

চৰাইদেউ মৈদাম ক্ষেত্ৰই বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি পোৱাটো প্ৰায় নিশ্চিত হৈ পৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দিনৰ ১০ বজাত এই ভাল খবৰটো লাভ কৰাৰ সম্ভাৱনা আছে বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। যোৱা ২১ জুলাইৰ পৰা প্ৰথমবাৰৰ বাবে ভাৰতত অনুষ্ঠিত হোৱা ইউনেস্ক'ৰ ৪৬ সংখ্যক অধিৱেশনৰ আজিৰ দিনটোত চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি লাভ কৰাৰ পূৰ্ণ সম্ভাৱনা আছে। ভাৰতকে ধৰি বিশ্বৰ ১৯৫ খন দেশে অংশগ্ৰহণ কৰা এই অধিৱেশন অহা ৩১ জুলাইত অন্ত পৰিব। উল্লেখযোগ্য যে, আহোম ৰজা আৰু ৰাজ পৰিয়ালৰ লোকসকলৰ সমাধিৰ স্থান চৰাইদেউ মৈদাম ক্ষেত্ৰই ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত স্থান লাভ কৰিলে ৬০০ বছৰীয়া আহোম ৰাজত্বৰ ইতিহাসে এটা অন্যমাত্ৰা লাভ কৰিব।

0000000

অহা ১৫ আগষ্টৰ ভিতৰত ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষক পদৰ নিযুক্তি সম্পূৰ্ণ কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে জানিবলৈ দিছে। কালি হাইলাকান্দিত শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰাথমিক শিক্ষক সন্মিলনীৰ অধিৱেশনত

অংশগ্ৰহণ কৰি লগতে কয় যে শিক্ষা সেতু পৰ্টেলৰ জৰিয়তে অনলাইন যোগ শিক্ষকৰ বদলি প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব। তদুপৰি শতাধিক শিক্ষাৰ্থী থকা প্ৰাথমিক বিদ্যালয়ত সকলো প্ৰধান শিক্ষকৰ খালী পদ পূৰণৰ যাৱতীয় ব্যৱস্থা বিভাগে ইতিমধ্যে গ্ৰহণ কৰিছে। আনহাতে ৰাজ্যৰ ৬৮ হাজাৰ ভুৱা ছাত্ৰ-ছাত্ৰীৰ নাম পৰ্টেলৰ পৰা বিলুপ্তি কৰা হ'ব। একেদৰে গ্ৰামাঞ্চল, প্ৰত্যন্ত এলেকাত ৫ বছৰৰ বাবে শিক্ষকৰ নিযুক্তি বাধ্যতামূলক হ'ব। উল্লেখ্য যে ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনিৰ চাৰিদিনীয়া দ্বিবাৰ্ষিক সন্মিলনৰ মুকলি অধিৱেশনত মুখ্য অতিথি হিচাপে অংশ কৰিছিল শিক্ষামন্ত্ৰী পেগুৱে।

00000000

ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ উদ্যোগত আজি সমগ্ৰ শিক্ষা, অসমৰ অধীনৰ প্ৰয়াত কৰ্মচাৰী আৰু ঠিকাভিত্তিক শিক্ষক-শিক্ষয়িত্ৰীৰ পৰিয়ালক ৫ লাখ টকাকৈ এককালীন আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত দিনৰ ১১ বজাত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানত মুখ্য অতিথিৰূপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকিব। শিক্ষা বিভাগে প্ৰকাশ কৰা অনুসৰি ৰাজ্যত এতিয়ালৈ সমগ্ৰ শিক্ষা, অসমৰ অধীনৰ প্ৰয়াত কৰ্মচাৰী আৰু টেট উত্তীৰ্ণ ঠিকাভিত্তিক শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা ১০৩গৰাকী।

00000000

অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক মূল পৰীক্ষা আজিৰে পৰা অনুষ্ঠিত হ'ব। ২৩৫টা পদৰ বাবে হ'বলগীয়া এই মূল পৰীক্ষাত দুহেজাৰ ৮২১গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে প্ৰাৰম্ভিক পৰীক্ষাৰ ফলাফলৰ অন্তত দুহেজাৰ ৮৯৮গৰাকীয়ে মূল পৰীক্ষালৈ যোগ্যতা অৰ্জন কৰিছিল যদিও ইয়াৰ ভিতৰত দুহেজাৰ ৮২১গৰাকী প্ৰাৰ্থীয়েহে মূল পৰীক্ষাৰ বাবে আবেদন জনায়। এই পৰীক্ষা হ'বলগীয়া ২৩৫টা পদৰ ভিতৰত অসম অসামৰিক সেৱাৰ ৪৫টা, অসম আৰক্ষী সেৱাৰ ৩৫টা আৰু অসম বিত্ত সেৱাৰ ১৩টা পদ আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া সকলো পৰিক্ষাৰ্থীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰৰ নিৰ্দেশনা অনুসৰি এই পৰীক্ষাত প্ৰথমবাৰৰ বাবে প্ৰতিটো প্ৰশ্ন ইংৰাজীৰ উপৰি অসমীয়া ভাষাতো থাকিব। মুখ্যমন্ত্ৰীয়ে এই পদক্ষেপৰ বাবে লোকসেৱা আয়োগক ধন্যবাদ জ্ঞাপন কৰে।

00000000

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে  ৰাজ্যৰ বিভিন্ন জিলাত  স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধপান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে

পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। ৩ মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ২৫ সংখ্যক কাৰ্গিল বিজয় দিৱস উপলক্ষে কাৰ্গিল যুদ্ধ স্মাৰক পৰিদৰ্শন কৰিব। শ্ৰী মোদীয়ে দেশৰ বাবে সৰ্বোচ্চ ত্যাগ কৰা শ্বহীদ জোৱানসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে আজিৰ দিনটো প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে অতি গুৰুত্বপূৰ্ণ। তেওঁ লগতে ইয়াক দেশৰ ৰক্ষকসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ দিন বুলি অভিহিত কৰে।

শ্ৰী মোদীয়ে লগতে কয় যে আজি শ্বীনকুন লা সুৰংগ প্ৰকল্পৰ কাম আৰম্ভ হ'ব। তেওঁ ভাৰ্চুৱেল পদ্ধতিৰে আজি চাৰি দশমিক এক কিলোমিটাৰ জোৰা এই প্ৰকল্পৰ কাম আনুষ্ঠানিকভাৱে আৰম্ভ কৰিব।

০০০০০০০

ৰাজ্যসমূহে খনিজ সম্পদৰ ৰয়েল্টি নিৰ্ধাৰণৰ অধিকাৰ পাব বুলি উচ্চতম ন্যায়ালয়ৰ সাংবিধানিক বিচাৰপীঠে ৰায়দান কৰিছে।কালি দেশৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত গঠিত এখন ন-জনীয়া বিচাৰপীঠে এই ঐতিহাসিক ৰায় দান কৰি খনি আৰু খনিজ পদাৰ্থৰ ওপৰত সাংবিধানিক অধিকাৰ ৰাজ্যসমূহৰ থকা বুলি নিশ্চিত কৰে। উল্লেখ্য যে ১৯৮৯চনত ইণ্ডিয়া চিমেণ্ট বনাম তামিলনাডু চৰকাৰ গোচৰত খনিজ সম্পদৰ ৰয়েল্টি নিৰ্ধাৰণত ৰাজ্যিক বিধানসভাবোৰৰ সাংবিধানিক ক্ষমতা নাই বুলি ৰায় দান কৰিছিল।

০০০০০০০০

ৰাষ্ট্ৰপতি ভৱনৰ দুটা ঐতিহাসিক হলৰ নতুন নামকৰণ কৰা হৈছে। সেই অনুসৰি ৰাষ্ট্ৰপতি ভৱনৰ দৰবাৰ হল আৰু অশোক হলক এতিয়াৰে পৰা গণতন্ত্ৰ মণ্ডপ আৰু অশোক মণ্ডপ ৰূপে জনা যাব। উল্লেখ্য যে দৰবাৰ হ'লত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰদানৰ দৰে গুৰুত্বপূৰ্ণ  সমাৰোহ অনুষ্ঠিত হৈ আহিছে। আনহাতে অশোক হলটো ব্ৰিটিছ্ শাসনৰ সময়ত নৃত্য শালা হিচাপে ব্যৱহৃত হৈছিল। কালি এই  হল দুটাৰ নাম সলনি কৰি জাৰি কৰা বিবৃতিত কেন্দ্ৰীয় চৰকাৰে কয় যে দৰবাৰ শব্দটোৱে দেশৰ প্ৰাচীন শাসক আৰু ব্ৰিটিছে সভা বা সদনক বুজাইছিল। ভাৰত গণৰাজ্যত পৰিণত হোৱাৰ পাচত এই শব্দটোৰ প্ৰাসংগিকতা নোহোৱা হ'ল। আনহাতে ভাষিক সুষমা ৰক্ষাৰ বাবে  অশোকৰ হলৰ নাম অশোক মণ্ডপ কৰা হৈছে।

০০০০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ ইছৰোলৈ ইণ্টাৰনেচনেল এষ্ট্ৰ'ন'টিকেল ফেদাৰেচন চমুকৈ আই এফ এৰ ফালৰ পৰা ৱল্ড স্পেছ এৱাৰ্ড আগবঢ়োৱা হৈছে। চন্দ্ৰৰ দক্ষিণ মেৰুত চন্দ্ৰযান-৩ৰ সফল পদাৰ্পণৰ স্বীকৃতি স্বৰূপে ইছৰোলৈ এই সন্মান প্ৰদান কৰা হ'ব। অহা ১৪ অক্টোবৰত ইটালীৰ মিলানত অনুষ্ঠিত হ'বলগীয়া আই এফ এৰ এটা বিশেষ অনুষ্ঠানত ভাৰতক এই সন্মান আনুষ্ঠানিকভাৱে আগবঢ়োৱা হ'ব। যোৱা বৰ্ষৰ ২৩ আগষ্টত ভাৰতৰ চন্দ্ৰযান-৩ য়ে চন্দ্ৰৰ দক্ষিণ মেৰুত সফলভাৱে পদাৰ্পণ কৰিবলৈ সক্ষম হৈছিল। ভাৰত চৰকাৰেও ২৩ আগষ্টৰ দিনটো **ৰাষ্ট্ৰীয় মহাকাশ দিৱস** হিচাপে ঘোষণা কৰিছে।

00000000

গোলাঘাট জিলাৰ আয়ুক্তৰ কাৰ্যলয়ত কালি সপ্তম পথ সুৰক্ষা সমিতিৰ এখন সভা অনুষ্ঠিত হয়। জিলা আয়ুক্তগৰাকীয়ে সভাৰ আৰম্ভণিতে বিভিন্ন বিভাগীয় কামকাজৰ অগ্ৰগতিৰ বুজ লয় আৰু বৰ্তমানৰ পথ সুৰক্ষা ব্যৱস্থা তথা ইয়াৰ ফলপ্ৰসূতাৰ বিষয়ে পৰ্যালোচনা কৰে। আয়ুক্তগৰাকীয়ে দুৰ্ঘটনা প্ৰবল অঞ্চলসমূহ চিনাক্ত কৰি ইয়াৰ প্ৰশমন কৌশল প্ৰস্তুত কৰিবলৈ প্ৰস্তাৱ আগবঢ়ায়। সভাত শেহতীয়া পথ দুৰ্ঘটনা আৰু প্ৰতিৰোধমূলক ব্যৱস্থাৰ বিষয়েও আলোচনা কৰাৰ লগতে গোলাঘাট পৌৰসভাৰ অন্তৰ্গত অঞ্চলসমূহত যানযঁটৰ সমস্যা সমাধান কৰিবৰ বাবে বাট-পথসমূহত ন'পাৰ্কি জ'ন, ট্ৰেফিক চিগনেল, ৱান ৱে ইত্যাদি ব্যৱস্থা সম্পৰ্কেও আলোচনা কৰা হয়। পথ সুৰক্ষা ৰূপায়ণৰ বাবে বিভিন্ন বিভাগৰ মাজত সমন্বয় ৰাখিবলৈ আয়ুক্তগৰাকীয়ে পৰামৰ্শ দিয়াৰ লগতে জিলাখনত পথ সুৰক্ষা সুনিশ্চিত কৰিবলৈ সকলো সংশ্লিষ্ট বিভাগৰ কামকাজ সময়মতে সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। সভাত গোলাঘাট পৌৰসভাৰ পৌৰনেত্ৰী, গোলাঘাট আৰক্ষী অধীক্ষক, অতিৰিক্ত জিলা আয়ুক্তকে ধৰি বিভিন্ন বিভাগৰ বিষয়া আৰু পৌৰসভাৰ ৱাৰ্ড কমিছনাৰসকল উপস্থিত থাকে।

00000000000

কৰিমগঞ্জ জিলাৰ সৰস্বতী বিদ্যানিকেতন বিদ্যালয়ত কালি **সবৰ হৃদয়ৰ ৰবীন্দ্ৰনাথ** শীৰ্ষক কবি প্ৰণাম কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম বিধানসভাৰ উপাধ্যক্ষ ড০ নোমল মমিনে ৰবীন্দ্ৰনাথ কেৱল বাঙালীৰ হৃদয়তে নহয় সকলো ভাৰতীয় হৃদয়ত আছে। তেওঁৰ দ্বাৰা ৰচিত ভাৰতৰ জাতীয় সংগীত বিদ্যালয়সমূহত প্ৰতিদিনে পুৱা আবৃতি কৰা হয়। অনুষ্ঠানত অসম ভাষিক সংখ্যালঘু উন্নয়ন বোৰ্ডৰ অধ্যক্ষ শিলাদিত্য দেৱ, বিধায়ক কমলাক্ষ দেকে ধৰি আন আন বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

00000000

যোৰহাট ষ্টেট বেংক পেন্সনাৰ সংস্থাই কালি বেংকৰ যোৰহাট প্ৰশাসনিক কাৰ্যালয়ৰ সহযোগত টিয়ক ৰাজহচক্ৰৰ জাঁজীমুখ পঞ্চায়তৰ অন্তৰ্গত কৈৱৰ্তগড়, কামানগাঁও আৰু বেজৰ চিগা নৈপৰীয়া গাঁৱৰ ১৭০টাৰো অধিক বান ক্ষতিগ্ৰস্ত পৰিয়ালক সাহায্য প্ৰদান কৰে। যোৰহাট প্ৰশাসনিক কাৰ্যালয়ৰ উপ-মহাপ্ৰবন্ধক সুৰভি ভট্টাচাৰ্যকে ধৰি আন আন ব্যক্তিসকল এই সাহায্য প্ৰদান কাৰ্যসূচীত উপস্থিত আছিল।

00000000

তেজপুৰ মহিলা সমিতি বাৰ্ষিক অধিৱেশন আৰু সমিতিৰখনৰ প্ৰয়াত প্ৰাক্তন সভানেত্ৰী তথা নাৰী সৱলীকৰণৰ অন্যতম নেত্ৰী মীনা আগৰৱালাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে কালি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। এই উপলক্ষে মীনা আগৰৱালা স্মৃতি ভৱনত পুৱা প্ৰয়াত আগৰৱালাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰাৰ পাছতে তেজপুৰ জিলা মহিলা সমিতিৰ উদ্যোগত মীনা আগৰৱালাৰ কৰ্মময় জীৱনৰ বিষয়ে এখন প্ৰদৰ্শনী মুকলি কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজিত বক্তৃতা অনুষ্ঠানত অংশগ্ৰহণ কৰি সাহিত্য অকাডেমী যুৱ বঁটা প্ৰাপক অধ্যাপক অৰিন্দম বৰকটকীয়ে মীনা আগৰৱালা ১৯৩৬ চনৰ প্ৰথম মহিলা অৰ্কেষ্ট্ৰাৰ শিল্পী আছিল বুলি উল্লেখ কৰি কয় যে, তেওঁৰ উদ্যোগতেই তেজপুৰত গীতৰ সৃষ্টি হ'ল, প্ৰথম সংগীত বিদ্যালয়ৰ জন্ম হ'ল আৰু বান থিয়েটাৰত মহিলাৰ নাটক মঞ্চস্থ হ'ল। অনুষ্ঠানত তেজপুৰ মহিলা সমিতিৰ সভানেত্ৰী মিতা নাংগিয়া গোস্বামীৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০০০০০০০

২০২৪ বৰ্ষৰ পেৰিছ অলিম্পিক ক্ৰীড়া সমাৰোহ আজি আৰম্ভ হ'ব। পেৰিছৰ শ্বেন নৈৰ পাৰত ভাৰতীয় সময় অনুসৰি নিশা ১১ বজাত এই ক্ৰীড়া সমাৰোহৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হ'ব।

ইতিহাসত প্ৰথমবাৰৰ বাবে এইবেলি মুকলি আকাশৰ তলত অলিম্পিক ক্ৰীড়া সমাৰোহৰ উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সমাৰোহত অংশগ্ৰহণ কৰা দেশসমূহৰ প্ৰায় ১০ হাজাৰ ৫০০ গৰাকী খেলুৱৈক প্ৰায় ১০০ খন নাৱেৰে পেৰিছৰ দৰ্শনীয় স্থল সমূহৰ ওচৰেৰে লৈ যোৱা হ'ব আৰু এইদৰে দেশসমূহৰ কুচকাৱাজ অনুষ্ঠিত হ'ব। অষ্ট্ৰেলিয়াৰ দলগুৰ ওচৰত আৰম্ভ হৈ এই কুচকাৱাজৰ  আইফেল টাৱাৰৰ ওচৰত অন্ত পৰিব। ইয়াৰ পাচতে অলিম্পিক শিখা প্ৰজ্বলন কৰা হ'ব আৰু তাৰ লগে লগে অলিম্পিক ক্ৰীড়া সমাৰোহৰ আনুষ্ঠানিক উদ্বোধন হ'ব।

তিনিঘণ্টা জুৰি হ'বলগীয়া এই উদ্বোধনী অনুষ্ঠানৰ জৰিয়তে সমগ্ৰ বিশ্বৰ আগত পেৰিছৰ ইতিহাস আৰু স্থাপত্য প্ৰদৰ্শন কৰা হ'ব। প্ৰসিদ্ধ ফৰাছী চলচিত্ৰ নিৰ্মাতা আৰু অভিনেতা থমাছ জলীয়ে কলা নিৰ্দেশক হিচাপে এই সমগ্ৰ উদ্বোধনী অনুষ্ঠানটো পৰিচালনা কৰিব।

উল্লেখ্য যে সুদীৰ্ঘ এশ বছৰৰ পাছত এইবাৰ পেৰিছত অনুষ্ঠিত হ'ব বিশ্বৰ সৰ্ববৃহত ক্ৰীড়া সমাৰোহ। ইয়াৰ পূৰ্বে ১৯২৪ চনত দেশখনত  এই ক্ৰীড়া সমাৰোহ অনুষ্ঠিত হৈছিল।

বেডমিণ্টন তাৰকা পি ভি সিন্ধু আৰু টেবুল টেনিছ শৰথ কমলে ভাৰতীয় দলৰ পতাকা বহন কৰিব। কুচকাৱাজৰ সময় ছোৱাত ভাৰতীয় দলৰ সদস্যসকলে দেশৰ পতাকা আৰ্হিত পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰিব।

পেৰিছ অলিম্পিকৰ আনুষ্ঠানিক উদ্বোধনৰ এদিন পূৰ্বে কালি আৰ্চাৰীত ভাৰতৰ মহিলা দলটোৱে চতুৰ্থ আৰু পুৰুষ দলটোৱে তৃতীয় স্থান দখল কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।  কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ত ভাৰতীয় মহিলা দলটো ফ্ৰান্স আৰু নেডাৰলেণ্ডছৰ মাজত হ'বলগীয়া প্ৰতিদ্বন্দ্বিতাৰ বিজয়ী দলটোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ত ভাৰতৰ পুৰুষ দলটো কলম্বিয়া আৰু তুৰস্কৰ মাজত হ'বলগীয়া খেলখনৰ বিজয়ীৰ মুখামুখি হ'ব। এই প্ৰতিযোগিতাসমূহ অহা ২৮ জুলাইৰ পৰা ৪ আগষ্টৰ ভিতৰত অনুষ্ঠিত হ'ব।  ভাৰতে কাইলৈ ১০ মিটাৰ এয়াৰ ৰাইফল মিক্সড টীম আৰু পুৰুষ আৰু মহিলা উভয়ৰে ১০ মিটাৰ এয়াৰ পিষ্টল শিতানত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। অসমৰ বক্সাৰ লাভলিনা বৰগোহাঁইয়ে আজি বিয়লি প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব।

এইবাৰ ভাৰতীয় দলটোৰ ছেফ দ্য মিছন হিচাপে তাৰকা শ্বুটাৰ গগন নাৰঙক দায়িত্ব অৰ্পণ কৰা হৈছে। তদুপৰি ৩০গৰাকী সদস্যযুক্ত ভাৰতৰ এথলেটিক দলটোক জেভলিন তাৰকা নীৰজ চোপ্ৰাই নেতৃত্ব দিব। এইবাৰ অলিম্পিকলৈ ভাৰতে ১১৭জনীয়া খেলুৱৈৰ দল প্ৰেৰণ কৰিছে। ১১ আগষ্টলৈকে চলিবলগীয়া এই অলিম্পিকত ১৯৬খন ৰাষ্ট্ৰৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। এইবাৰ প্ৰথমবাৰৰ বাবে ব্ৰেক ডেন্সিংক অলিম্পিকত খেল হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০০

## ***News Paper Review***

ঐতিহাসিক চৰাইদেউ মৈদাম ক্ষেত্ৰই বিশ্বৰ পৰ্যটন মানচিত্ৰত জিলিকি উঠিব। আজি ইউনেস্ক'ৰ দ্বাৰা আনুষ্ঠানিকভাৱে অসমৰ চৰাইদেউ মৈদাম ক্ষেত্ৰই বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি লাভ কৰিব। এই বাতৰিটো দৈনিক অসম, আমাৰ অসম, নিয়মীয়া বাৰ্তা আদিকে ধৰি প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি পেৰিছত অনুষ্ঠিত হ'ব বিশ্বৰ বৃহৎ ক্ৰীড়াৰণ অলিম্পিকৰ উদ্বোধনী অনুষ্ঠান। অসমীয়া প্ৰতিদিন কাকতে পেৰিছত ক্ৰীড়া মহাযজ্ঞ শিৰোনামেৰে বাতৰি প্ৰকাশ কৰাৰ লগতে অন্যান্য কাকতসমূহেও এই বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

এ পি এছ্ চিত অসমীয়াতে প্ৰশ্ন উত্তৰ, চৰকাৰৰ সিদ্ধান্ততো আশ্বস্ত হোৱা নাই মাতৃভাষা প্ৰেমী শিৰোনামেৰে আমাৰ অসম কাকতে আজিৰে পৰা আৰম্ভ হ'বলগীয়া এ পি এছ্ চিৰ মূল পৰীক্ষা সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে।

বিহাৰতকৈ অসমৰ বান অধিক ভয়াবহ শিৰোনামেৰে দৈনিক অসম কাকতে ৰাষ্ট্ৰীয় বান আয়োগৰ তথ্যত উন্মোচিত অসমৰ বানপানীৰ  সবিশেষ বাতৰি প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰীয় ঘাইপথৰ যোৰহাট-ডিব্ৰুগড় অংশৰ কাম স্বচক্ষে নিৰীক্ষণ কৰিব গাডকাৰীয়ে শিৰোনামেৰে **নিয়মীয়া বাৰ্তা** কাকতে আন এটা বাতৰি প্ৰকাশ কৰিছে।

বে-চৰকাৰী চিকিৎসালয়ত বন্ধ ৰেডিয়েচন, কেম' থেৰাপি, অনক' ছাৰ্জাৰী, জেনেৰেল ছাৰ্জাৰী সেৱা। ৰাজ্যৰ চিকিৎসালয়ত  আয়ুষ্মান কাৰ্ডৰ সেৱা বন্ধ হৈ পৰাৰ সবিশেষ বাতৰি প্ৰকাশ কৰি **দৈনিক জনমভূমি** কাকতৰ শিৰোনাম অচল আয়ুষ্মান কাৰ্ড, ৰাজ্যত হাহাকাৰ।

আঠশ কোটি টকাৰ লোকচানৰ সন্মুখীন নামৰূপ খাৰ কাৰখানা শিৰোনামেৰে **দৈনিক অগ্ৰদূত** কাকতে উত্তৰ-পূবৰ অন্যতম ৰাজহুৱা খণ্ডৰ খাৰ উদ্যোগ প্ৰতিষ্ঠানটোৰ অস্তিত্ব সংকটৰ বাতৰি ছবিসহ প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰপতি ভৱনৰ দৰবাৰ-অশোক হলৰ নাম সলনি শিৰোনামেৰে **অসমীয়া খবৰ** কাকতে আন এটা বাতৰি প্ৰকাশ কৰিছে।

আজি কাৰ্গিল বিজয় দিৱস। Pakistan can never be trusted, says Kargil war veteran শিৰোনামেৰে এই সন্দৰ্ভত দি আছাম ট্ৰিবিউন কাকতে এটা সাক্ষাৎকাৰ ভিত্তিক বাতৰি প্ৰকাশ কৰিছে।

Criminal Justice response system improves in state শিৰোনামেৰে দ্যা ছেণ্টিনেল কাকতে ন্যায় ব্যৱস্থা সন্দৰ্ভত এটা বাতৰি প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – চাৰিদিনে সন্ধানহীন ৰমেন বৰুৱা ঃ ধুবুৰীত ব্ৰহ্মপুত্ৰত অভিযান অব্যাহত, বিগত পাঁচ বছৰত ৰাজ্যত হাতীৰ আক্ৰমণত প্ৰাণ গ'ল ৩৮৩ জনৰ, অসমৰ শিক্ষাৰ্থীৰ বাবে দিল্লীত কম খৰচতে থকা-খোৱাৰ সুবিধা ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooo

সমাপ্ত